# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 14-03-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

ৰাজ্যৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপন কৰা হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ লগতে ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভকত-বৈষ্ণৱসকলে নাম-কীৰ্তন কৰে। কাইলৈ গোসাঁইক ৰভাতলৰ পৰা উলিয়াই দৌললৈ যাত্ৰা কৰা হ'ব। দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত কালি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাকে ধৰি প্ৰায়বোৰ জিলাতে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে আবিৰৰ ৰঙে সকলোৰে মনপ্ৰাণ ৰঙীন কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। আজি নিশাটো দেৰগাঁৱত কটোৱাৰ পাছত কাইলৈ পুৱাৰ ভাগত তেওঁ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকী যোৰহাট হৈ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। পৰহিলৈ গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০

ৰাজ্য চৰকাৰৰ গজমিত্ৰ আঁচনিত অহা এপ্ৰিলৰ পৰা গোলাঘাট জিলাৰ নাম অন্তৰ্ভুক্ত কৰা হ'ব বুলি বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি এখন সংবাদমেলত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, অসম বিধানসভাৰ বাজেট অধিৱেশনত শেহতীয়াকৈ ঘোষণা কৰা অনুসৰি গজমিত্ৰ আঁচনিত ৰাজ্যখনৰ হাতী-মানুহৰ সংঘাত থকা ৫ খন জিলাক অন্তৰ্ভুক্ত কৰা হৈছিল। দীৰ্ঘদিনধৰি গোলাঘাট জিলাত এই সংঘাত চলি থকাৰ পাছতো গজমিত্ৰ আঁচনিত জিলাখনৰ নাম অন্তৰ্ভুক্ত নোহোৱাক লৈ জনসাধাৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছিল। ইয়াৰ ফলস্বৰূপে আজি বিত্তমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলৰ জৰিয়তে গোলাঘাট জিলাক এই আঁচনিত অন্তৰ্ভুক্ত কৰাৰ কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এইবাৰৰ বাজেটত উল্লেখ কৰা অন্যান্য আঁচনিসমূহৰ বিষয়েও জনসাধাৰণক অৱগত কৰে।

০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। মুম্বাই ইণ্ডিয়ানছে যোৱানিশাৰ এলিমিনেটৰ খেলখনত গুজৰাট জায়েণ্টছক ৪৭ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০